# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 26-11-2024
**Time :** 0705 hrs

*Assamese Morning Bulletin*

# HEADLINES

১। ভাৰতৰ সংবিধান গৃহীত হোৱাৰ ৭৫ সংখ্যক বছৰ উপলক্ষে কেন্দ্ৰীয় চৰকাৰে আজিৰে পৰা বছৰ জোৰা উদযাপনৰ কথা ঘোষণা কৰিছে।

২। অৰ্থনৈতিক পৰিক্ৰমা বিষয়ক কেবিনেট কমিটীয়ে প্ৰায় ৭ হাজাৰ ৯২৭ কোটি টকা ব্যয়েৰে ৰূপায়ণ কৰিবলগীয়া ৰে'ল মন্ত্ৰালয়ৰ তিনিটা প্ৰকল্পত অনুমোদন দিছে।

৩। কেন্দ্ৰীয় কেবিনেটে অটল অমৃত অভিযানৰ দ্বিতীয় সংস্কৰণৰ বাবে ২০২৮ চনৰ ৩১ মাৰ্চ পৰ্যন্ত দুহেজাৰ ৭৫০ কোটি টকাৰ বাজেট আৱণ্টন দিয়াৰ কথা ঘোষণা কৰিছে।

৪। ভাৰতৰ শ্বেত বিপ্লৱৰ জনক ড° ভাৰ্গিজ কুৰিয়েনৰ জয়ন্তী উপলক্ষে আজি ৰাষ্ট্ৰীয় দুগ্ধ দিৱস পালন কৰা হৈছে।

*আৰু*

৫। বৈভৱ সূৰ্যবংশী আই পি এলৰ ইতিহাসত কোনো দলে ক্ৰয় কৰা সৰ্বকনিষ্ঠ খেলুৱৈ হিচাপে পৰিগণিত হৈছে।

ooooo

সমগ্ৰ দেশতে আজি ৰাষ্ট্ৰীয় সংবিধান দিৱস পালন কৰা হৈছে। ভাৰতৰ সংবিধান গৃহীত হোৱাৰ ৭৫ সংখ্যক বছৰ উপলক্ষে কেন্দ্ৰীয় চৰকাৰে আজিৰে পৰা বছৰ জোৰা উদযাপনৰ কথা ঘোষণা কৰিছে। এইবেলি দেশৰ সংবিধান গৃহীত হোৱাৰ ৭৫ বছৰ সম্পূৰ্ণ হৈছে। আজি আৰম্ভ হোৱা উদযাপন অহা বছৰৰ ২৬ নৱেম্বৰ পৰ্যন্ত চলি থাকিব। ১৯৪৯ চনৰ ২৬ নৱেম্বৰত ভাৰতৰ সংবিধান গৃহীত হৈছিল আৰু ১৯৫০ চনৰ ২৬ জানুৱাৰী তাৰিখে সংবিধান কাৰ্যকৰী কৰা হৈছিল।

সংবিধান দিৱসৰ সৈতে সংগতি ৰাখি দিল্লীৰ সংবিধান সদনৰ কেন্দ্ৰীয় প্ৰেক্ষাগৃহত বিশেষ অনুষ্ঠানৰ আয়োজন কৰা হৈছে। অনুষ্ঠানত ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে ৰাজ্যসভা আৰু লোকসভাৰ সদস্যসকলক সম্বোধন কৰিব। অনুষ্ঠানত উপ ৰাষ্ট্ৰপতি জগদীপ ধনখড়, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, লোকসভাৰ অধ্যক্ষ ওম বিৰলা তথা ভালেকেইগৰাকী কেন্দ্ৰীয় মন্ত্ৰীকে ধৰি গণ্যমান্য ব্যক্তিসকল উপস্থিত থাকিব।

দেশৰ সংবিধান গৃহীত হোৱাৰ ৭৫ সংখ্যক বাৰ্ষিকীৰ এই বিশেষ দিনটোত এটা স্মাৰক মুদ্ৰাৰ লগতে ডাক টিকটো মুকলি কৰা হ'ব। অনুষ্ঠানত "Making of the Constitution of India : A Glimpse" আৰু "Making of the Constitution of India and its Glorious Journey" নামৰ দুখন গ্ৰন্থও উন্মোচন কৰা হ'ব। আজিৰ অনুষ্ঠানত দেশৰ সংবিধানখন সংস্কৃত আৰু মৈথেলী ভাষাতো মুকলি কৰা হ'ব। সামাজিক ন্যায় আৰু সবলীকৰণ মন্ত্ৰালয়ে ২০১৫ চনৰ ১৯ নৱেম্বৰ কৰা ঘোষণা কৰা অনুসৰি আজিৰ দিনটো প্ৰতি

বছৰে সংবিধান দিৱস হিচাপে পালন কৰি অহা হৈছে। এইবেলি সংবিধান দিৱস উদযাপনৰ মূল বাণী হৈছে ঃ **আমাৰ সংবিধান আমাৰ স্বাভিমান**। আজি সমগ্ৰ দেশৰ লক্ষ লক্ষ জনসাধাৰণে বিদ্যালয়, কাৰ্যালয় আদিত একেলগে সংবিধানৰ প্ৰস্তাৱনা পাঠ কৰিব। জনসাধাৰণে সংবিধানৰ প্ৰস্তাৱনা পাঠ কৰাৰ ভিডিঅ' constitution75.com ৱেবছাইটত আপলোড কৰি এই উদ্যমত অংশগ্ৰহণৰ প্ৰমাণ পত্ৰ লাভ কৰিব পাৰিব। চৰকাৰে জনগণক এই ঐতিহাসিক উদযাপনৰ সৈতে জড়িত হৈ দেশৰ সংবিধানৰ প্ৰতি সামূহিক গৌৰৱ প্ৰদৰ্শন কৰিবলৈ আহ্বান জনাইছে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি বিয়লি উচ্চতম ন্যায়ালয়ত সংবিধান দিৱস উপলক্ষে আয়োজিত অনুষ্ঠানত অংশগ্ৰহণ কৰিব। উচ্চতম ন্যায়ালয়ে আয়োজন কৰা এই অনুষ্ঠানত প্ৰধানমন্ত্ৰীয়ে অংশগ্ৰহণ কৰা লোকসকলক উদ্দেশ্যি ভাষণ দিব। অনুষ্ঠানত প্ৰধানমন্ত্ৰীয়ে ভাৰতীয় ন্যায়পালিকাৰ ২০২৩-২৪ বৰ্ষৰ বাৰ্ষিক প্ৰতিবেদনো মুকলি কৰিব। কেন্দ্ৰীয় আইন মন্ত্ৰী অৰ্জুন ৰাম মেঘৱাল উচ্চতম ন্যায়ালয়ৰ মুখ্য ন্যায়াধীন সঞ্জীৱ খান্নাকে ধৰি অন্যান্য ন্যায়াধীশসকলেও অনুষ্ঠানত অংশগ্ৰহণ কৰিব।

০০০০০

**কেন্দ্ৰীয় কেবিনেটে অটল অমৃত অভিযানৰ দ্বিতীয় সংস্কৰণৰ বাবে ২০২৮ চনৰ ৩১ মাৰ্চ পৰ্যন্ত ২ হাজাৰ ৭৫০ কোটি টকাৰ বাজেট আবন্টন দিয়াৰসকথা ঘোষণা কৰিছে। অটল অমৃত অভিযান ২.০ হৈছে চৰকাৰৰ বিকশিত ভাৰত সংকল্পৰ দিশে এক সৱল খোজ আৰু সজীৱ উদ্ভাৱন আৰু উদ্যোগীকৰণ পৰিৱেশক সম্প্ৰসাৰণ, শক্তিশালীকৰণ, আৰু গভীৰকৰণৰ লক্ষ্যৰে গ্ৰহণ কৰা এক উল্লেখনীয় পদক্ষেপ। এই অভিযানৰ ধাৰাবাহিকতাই প্ৰত্যক্ষভাৱে বিভিন্ন খণ্ডত উন্নত চাকৰি, উদ্ভাৱনীমূলক সামগ্ৰী, আৰু উচ্চ প্ৰভাৱৰ সেৱা সৃষ্টি কৰাত অৰিহণা যোগাব বুলি কেন্দ্ৰীয় মন্ত্ৰী অশ্বিনী বৈষ্ণৱে জানিবলৈ দিয়ে।**

০০০০০

অৰ্থনৈতিক পৰিক্ৰমা বিষয়ক কেবিনেট কমিটীয়ে প্ৰায় ৭ হাজাৰ ৯২৭ কোটি টকা ব্যয়েৰে ৰূপায়ণ কৰিবলগীয়া ৰে'ল মন্ত্ৰালয়ৰ তিনিটা প্ৰকল্পত অনুমোদন দিছে। ইয়াত ১৬০ কিলোমিটাৰ দৈৰ্ঘ্যৰ মনমাদ-জলগাঁৱ ৰে'লপথচোৱাৰ চতুৰ্থটো লাইন, ১৩১ কিলোমিটাৰ দৈৰ্ঘ্যৰ ভুছাৱল-খান্দৱা ৰে'লপথচোৱাৰ তৃতীয় আৰু চতুৰ্থটো লাইন তথা ৮৪ কিলোমিটাৰ দৈৰ্ঘ্যৰ প্ৰয়াগৰাজ-মাণিকপুৰ ৰে'লপথচোৱাৰ তৃতীয়টো লাইন সামৰি লোৱা হৈছে। কেন্দ্ৰীয় মন্ত্ৰী অশ্বিনী বৈষ্ণৱে কৈছে যে দুহেজাৰ ৭৭৩ কোটি টকা ব্যয়েৰে ৰূপায়ণ কৰিবলগীয়া মনমাদ-জলগাঁও প্ৰকল্পটোৱে বিশেষকৈ মহাৰাষ্ট্ৰৰ বন্দৰসমূহৰ পৰা যাত্ৰী তথা সামগ্ৰী পৰিবহণত সহায় কৰিব। তেওঁ লগতে কয় যে, ৩ হাজাৰ ৫১৪ কোটি টকা ব্যয়েৰে ৰূপায়ণ কৰিবলগীয়া ভুছাৱল-খান্দৱা প্ৰকল্পটোৱে যাত্ৰী পৰিবহণৰ সামৰ্থ বৃদ্ধি কৰিব। ইপিনে, এহেজাৰ ৬৪০ কোটি টকা ব্যয়েৰে ৰূপায়ণ কৰিবলগীয়া প্ৰয়াগৰাজ-মাণিকপুৰ প্ৰকল্পটোৱে উত্তৰ প্ৰদেশৰ পূৰ্বাঞ্চলক মধ্যপ্ৰদেশৰ বাঘেলখণ্ডৰ সৈতে সংযোগ কৰিব। এই ৰে'লপথসমূহ কৃষিজাত সামগ্ৰী, সাৰ, কয়লা, তীখা, চিমেণ্ট আদিৰ পৰিবহণত বিশেষ সহায়ক হ'ব বুলি আশা কৰা হৈছে।

০০০০০

অৰ্থনৈতিক পৰিক্ৰমা বিষয়ক কেবিনেট কমিটীয়ে আয়কৰ বিভাগৰ পেন প্ৰকল্পৰ দ্বিতীয় সংস্কৰণত অনুমোদন জনাইছে। এহেজাৰ ৪৩৫ কোটি টকা ব্যয় সাপেক্ষে পেন প্ৰকল্পৰ দ্বিতীয় সংস্কৰণ ৰূপায়ণৰ পৰিকল্পনা কৰা হৈছে। কেন্দ্ৰীয় কেবিনেট বৈঠকৰ পিছত তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে কয় যে ইয়াৰ অধীনত বৰ্তমানৰ ব্যৱস্থাটো সম্পূৰ্ণৰূপে উন্নীত কৰা হ'ব আৰু এটা ঐক্যবদ্ধ পৰ্টেল উপলব্ধ হব। তেওঁ লগতে কয়, যে এই প্ৰকল্পত শক্তিশালী চাইবাৰ সুৰক্ষা ব্যৱস্থা থাকিব। তেঁও লগতে স্পষ্ট কৰি দিয়ে যে জনসাধাৰণৰ বৰ্তমানৰ স্থায়ী পেন নম্বৰ একেই থাকিব। এই প্ৰকল্প হৈছে কৰদাতাসকলৰ ডিজিটেল অভিজ্ঞতা বৃদ্ধিৰ বাবে গ্ৰহণ কৰা এটা প্ৰকল্প। ইয়াৰ জৰিয়তে নিৰ্দিষ্ট চৰকাৰী সংস্থাসমূহৰ সকলো ডিজিটেল ব্যৱস্থাৰ বাবে পেনক উমৈহতীয়া পৰিচয় নম্বৰ হিচাপে ব্যৱহাৰ কৰিব পৰা যাব।

০০০০০

আজি ৰাষ্ট্ৰীয় দুগ্ধ দিৱস। ভাৰতৰ শ্বেট বিপ্লৱৰ জনক হিচাপে খ্যাত ড° ভাৰ্গিজ কুৰিয়েনৰ ১০৩ সংখ্যক জয়ন্তী উপলক্ষে এই দিৱসৰ সৈতে সংগতি ৰাখি নতুন দিল্লীত বিশেষ অনুষ্ঠানৰ আয়োজন কৰা হৈছে। অনুষ্ঠানত ভাৰতীয় অৰ্থনীতি আৰু পুষ্টি সুৰক্ষাৰ ক্ষেত্ৰত দুগ্ধ খণ্ডৰ গুৰুত্বপূৰ্ণ অৱদানসমূহত আলোকপাত কৰা হ'ব। আজিৰ অনুষ্ঠানত পশুপালন আৰু দুগ্ধ খণ্ডৰ ৰাষ্ট্ৰীয় গোপাল ৰত্ন বঁটাও প্ৰদান কৰা হ'ব।

০০০০০

উচ্চতম ন্যায়ালয়ে প্ৰদূষণৰ পৰিপ্ৰেক্ষিতত দিল্লী-এন চি আৰৰ বিদ্যালয়, মহাবিদ্যালয় আৰু অন্যান্য শিক্ষানুষ্ঠানসমূহত পোনপটীয়া পাঠদানৰ ক্ষেত্ৰত আৰোপ কৰা নিষেধাজ্ঞা শিথিল কৰি দিয়াৰ বাবে বিবেচনা কৰিবলৈ বায়ুৰ গুণাগুণ ব্যৱস্থাপনা আয়োগক নিৰ্দেশ দিছে। যোৱা সপ্তাহত তীব্ৰ বায়ু প্ৰদূষণৰ বাবে শিক্ষানুষ্ঠানসমূহত পোনপটীয়া পাঠদানত নিষেধাজ্ঞা আৰোপ কৰা হৈছিল। ন্যায়াধীশ অভয় এছ ওকা আৰু অগাস্টিন জৰ্জ মাছিহৰ বিচাৰপীঠে কৈছে যে অধিকাংশ ছাত্ৰ-ছাত্ৰীৰ ঘৰতে বায়ু বিশুদ্ধিকৰণ ব্যৱস্থা উপলব্ধ নহয়, যাৰ বাবে ঘৰত পঢা আৰু শিক্ষানুষ্ঠানত পঢ়াৰ মাজত বিশেষ পাৰ্থক্য নাথাকিবও পাৰে। উচ্চতম ন্যায়ালয়ে লগতে উল্লেখ কৰিছে যে নিষেধাজ্ঞাৰ ফলত একাংশ ছাত্ৰ-ছাত্ৰীয়ে মধ্যাহ্ন ভোজনৰ সুবিধাৰ পৰা বঞ্চিত হোৱাৰ লগতে অনলাইন মাধ্যমেৰে শ্ৰেণীত অংশগ্ৰহণৰ বাবেও তেঁওলোকৰ পৰ্যাপ্ত সুবিধাৰ অভাৱ। উচ্চতম ন্যায়ালয়ে আজিৰ ভিতৰতে এই সন্দৰ্ভত বায়ুৰ গুণাগুণ ব্যৱস্থাপনা আয়োগক সিদ্ধান্ত গ্ৰহণ কৰিবলৈ নিৰ্দেশ প্ৰদান কৰিছে।

০০০০০

প্ৰসাৰ ভাৰতী, ৰেলটেল, আৰু প্লেবক্সটিভিৰ সন্মিলিত প্ৰচেষ্টাৰে ৰেলৱায়াৰ ব্ৰডবেণ্ডত 'ফ্ৰিডম প্লান' আৰম্ভ কৰা হৈছে। কালি নতুন দিল্লীত এটা অনুষ্ঠানত প্ৰসাৰ ভাৰতীৰ মুখ্য কাৰ্যবাহী বিষয়া গৌৰৱ দ্বিবেদী আৰু ৰেইলটেলৰ অধ্যক্ষ তথা পৰিচালন সঞ্চালক সঞ্জয় কুমাৰে এই পৰিকল্পনা উন্মোচন কৰে। এই উপলক্ষে ভাষণ দি দ্বিবেদীয়ে কয় যে দেশে ডিজিটেল বিপ্লৱক আকোৱালি লোৱাৰ সময়ত WAVES OTT প্লেটফৰ্ম প্ৰসাৰ ভাৰতীৰ বাবে এক পৰিৱৰ্তনশীল মাধ্যম। ই ভাৰতক

বৃহত তথা বৈচিত্ৰময় দৰ্শকৰ সৈতে অভূতপূৰ্বভাৱে সংযোগ স্থাপনৰ সুবিধা প্ৰদান কৰে। তেওঁ জোৰ দি কয় যে ডিজিটেল সংযোগক পুনৰ সংজ্ঞায়িত কৰা, পৰম্পৰাগত সম্প্ৰচাৰ আৰু আধুনিক ষ্ট্ৰীমিংৰ মাজৰ ব্যৱধান দূৰ কৰা, আৰু নিৰৱচ্ছিন্ন সংযোগ তথা মনোৰঞ্জনৰ দ্বাৰা জনসাধাৰণক সবলীকৰণ কৰাই এই সন্মিলিত প্ৰচেষ্টাৰ লক্ষ্য । তেঁও লগতে কয় যে, প্ৰসাৰ ভাৰতীক নাগৰিকৰ কাষ চাপিবলৈ আইনৰ দ্বাৰা বাধ্যতামূলক কৰা হৈছে আৰু ৰাজহুৱা সম্প্ৰচাৰক হিচাপে অ'টিটি প্লেটফৰ্ম মুকলি কৰি প্ৰসাৰ ভাৰতীয়ে প্ৰযুক্তিৰ সৈতে খোজ মিলাইছে।

ooooo

বৈভৱ সূৰ্যবংশী আই পি এলৰ ইতিহাসত কোনো দলে ক্ৰয় কৰা সৰ্বকনিষ্ঠ খেলুৱৈ হিচাপে পৰিগণিত হৈছে। ২০২৫ বৰ্ষৰ আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ নিলামৰ দ্বিতীয় দিনা কালি ১৩ বছৰীয়া খেলুৱৈগৰাকীক ৰাজস্থান ৰয়েলছ দলে ১ কোটি ১০ লাখ টকাত ক্ৰয় কৰে। বিহাৰ ক্ৰিকেট সন্থাৰ অধ্যক্ষ ৰাকেশ তিৱাৰীয়ে যুৱ ৰেটছ্‌মেনগৰাকীক এই কৃতিত্বৰ বাবে অভিনন্দন জনাইছে আৰু খেলুৱৈগৰাকীয়ে ভাল প্ৰদৰ্শন আগবঢ়াব বুলি আস্থা প্ৰকাশ কৰিছে।

বৈভৱে অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে চেন্নাইত অনুষ্ঠিত ১৯ বছৰ অনুৰ্ধৰ এখন যুৱ টেষ্ট খেলত দেশৰ হৈ ৬২টা বলত ১০৪ ৰান সংগ্ৰহ কৰি ক্ৰিকেটপ্ৰেমীসকলৰ দৃষ্টি আকৰ্ষণ কৰিছিল। এয়া হ'ল যুৱ টেষ্ট খেলত কোনো এগৰাকী ভাৰতীয়ৰ দ্ৰুততম শতৰাণ। ইয়াৰ পূৰ্বে বৈভৱে চলিত বৰ্ষত ১২ বছৰ বয়সতে বিহাৰৰ হৈ ৰঞ্জি ট্ৰফী ক্ৰিকেট প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিছিল। ইয়াৰ সুবাদত বৈভৱে দেশৰ প্ৰথম শ্ৰেণীৰ ক্ৰিকেট প্ৰতিযোগিতাত ভাগ লোৱা সৰ্বকনিষ্ঠ খেলুৱৈৰ কৃতিত্ব অৰ্জন কৰিছিল।

ooooo

ওড়িশা ফুটবল ক্লাৱে কালি হায়দৰাবাদৰ জি এম চি বালায়োগী এথলেটিক ষ্টেডিয়ামত অনুষ্ঠিত ইণ্ডিয়ান ছুপাৰ লীগ ফুটবল প্ৰতিযোগিতাৰ এখন খেলত হায়দৰাবাদক ৬-০ গলত পৰাস্ত কৰে। ওড়িশাৰ হৈ খেলখনৰ দ্বাদশ মিনিটত ইছাক ভানলালৰুৱাটফেলাই প্ৰথমটো গল দিয়ে। দলৰ হৈ দিয়েগো মৰিছিয়', লালবিয়াখ্‌লুৱা জংটে, ম'ৰটাদা ফল, লালথাথাংগা খলৰিং আৰু ৰহিম আলীয়ে বাকীকেইটা গল দিয়ে।

ooooo

ভাৰতীয় পুৰুষ বাস্কেট বল দলে কালি চেন্নাইৰ নেহেৰু ইন্দোৰ ষ্টেডিয়ামত অনুষ্ঠিত ২০২৫ বৰ্ষৰ FIBA Asia Cup প্ৰতিযোগিতাৰ এখন যোগ্যতা নিৰ্ণয়কাৰী খেলত কাজাখস্তানক ৮৮-৬৯ ফলাফলত পৰাস্ত কৰে। এয়া হ'ল দেশখনৰ বিৰুদ্ধে ২৭টা বছৰত আগশাৰীৰ FIBA প্ৰতিযোগিতাত ভাৰতৰ প্ৰথম বিজয়।

এই জয়ৰ সুবাদত প্ৰতিযোগিতাৰ গ্ৰুপ-ইত ৫ পইণ্টৰ সৈতে ইৰাণৰ পাছতে দ্বিতীয় স্থানত আছে। একেটা গ্ৰুপত কাজাখস্তান আৰু কাটাৰ ক্ৰমে তৃতীয় আৰু চতুৰ্থ স্থানত আছে। গ্ৰুপ পৰ্যায়ৰ শীৰ্ষ দল দুটাই ২০২৫ বৰ্ষৰ FIBA Asia Cup প্ৰতিযোগিতালৈ পোনপটীয়াভাৱে যোগ্যতা অৰ্জন কৰাৰ বিপৰীতে তৃতীয়টো দলে দ্বিতীয় পৰ্যায়ৰ যোগ্যতা নিৰ্ণয়কাৰী খেলত অংশ ল'ব। ভাৰত অহা বছৰ ফেব্ৰুৱাৰীত ইৰাণ আৰু কাটাৰৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

ooooo

সমাপ্ত